প্ৰতিবেদনযোগ্য

ভাৰতৰ উচ্চতম ন্যায়ালয়

ফৌজদাৰী আপীলীয় ক্ষেত্ৰাধিকাৰ

২০০৮-ৰ ফৌজদাৰী আবেদন সংখ্যা ১০৩৫

(২০০৭-ৰ বিশেষ অনুমতি আবেদন (ফৌজদাৰী) সংখ্যা ৯০৭-ৰ পৰা উদ্ভৱ হৈছে)

পানফুল নেছা ...আবেদনকাৰী

বনাম

মঃ মিৰাজ আলী আৰু অন্যান্য ...উত্তৰদাতাসকল

ৰায়দান

ন্যায়াধীশ ড° অৰিজিৎ পাছায়াৎ

১) অনুমতি প্ৰদান কৰা হৈছে।

২) এই আবেদনত গৌহাটী উচ্চ ন্যায়ালয়ৰ এগৰাকী বিদ্বান ন্যায়াধীশে প্ৰদান কৰা এক আদেশক প্ৰত্যাহ্বান জনোৱা হৈছে য'ত উত্তৰদাতা নং ১-ৰ পৰা ৯-এ বিদ্বান মুখ্য ন্যায়িক দণ্ডাধীশ, দৰঙৰ বিচাৰপীঠত আত্মসমৰ্পণ কৰিলে জামিনত মুক্তি দিয়াৰ নিৰ্দেশ দিয়া হৈছে।

৩) নেপথ্যৰ তথ্য সংক্ষেপে তলত উল্লেখ কৰা হ'ল:

১৬.৯.১৯৯৬ তাৰিখে এখন এজাহাৰ দাখিল কৰা হৈছিল য'ত উল্লেখ কৰা হৈছিল যে এজাহাৰকাৰী, অৰ্থাৎ ইয়াৰ আবেদনকাৰীৰ স্বামী আৰু তেওঁৰ স্বামীৰ খুৰাক শ্ৰী হানিফ আলিৰ হত্যাকাণ্ডৰ বাবে উত্তৰদাতা নং ১-ৰ পৰা ৯-কে ধৰি ১০ গৰাকী ব্যক্তি দ্বায়ী। তদন্ত সম্পূৰ্ণ হোৱাত শোণিতপুৰ জিলাৰ তেজপুৰ নদী আৰক্ষী থানাৰ তদন্তকাৰী বিষয়াৰ দ্বাৰা ২৮.২.২০০৪ তাৰিখৰ চাৰ্জশ্বীট নং ১/২০০৪ দাখিল কৰা হয়। উত্তৰদাতা নং ১-ৰ পৰা ৯-কে ধৰি এঘাৰগৰাকী ব্যক্তিক পলাতক হিচাপে প্ৰদৰ্শন কৰা হৈছিল। আবেদনকাৰীৰ গোচৰটো হৈছে যে অশেষ প্ৰচেষ্টা সত্ত্বেও আৰক্ষী বিষয়াসকলে উত্তৰদাতাসকলৰ শুংসূত্ৰ উলিয়াব নোৱাৰিলে। বিদ্বান মহকুমা ন্যায়িক দণ্ডাধীশে উত্তৰদাতাসকলৰ বিৰুদ্ধে অ-জামিনযোগ্য পৰোৱানা জাৰি কৰে। উত্তৰদাতাসকলক পলাতক আচামী হিচাপে ঘোষণা কৰা হয়। ২২.১২.২০০৫ তাৰিখে গ্ৰেপ্তাৰী পৰোৱানাৰ ক্ষমতাৰ ভিত্তিত ৰুস্তম আলী নামৰ এগৰাকী আচামী ব্যক্তিক গ্ৰেপ্তাৰ কৰা হয় আৰু বিদ্বান মহকুমা ন্যায়িক দণ্ডাধীশৰ দ্বাৰা তেওঁক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হয়। ইয়াৰ পাছত উত্তৰদাতাসকলে উচ্চ ন্যয়ালয়ত ফৌজদাৰী আবেদন সংখ্যা ১৮/২০০৬ দাখিল কৰে আৰু অনুৰোধ কৰে যাতে অ-জামিনযোগ্য গ্ৰেপ্তাৰী পৰোৱানাৰ আদেশ খাৰিজ কৰা হওঁক। তেওঁলোকে লগতে অনুৰোধ কৰে যে বিদ্বান মহকুমা ন্যায়িক দণ্ডাধীশৰ বিচাৰপীঠত হাজিৰ হ'লে যাতে তেওঁলোকক জামিনত মুক্তি দিয়া হয়। উক্ত আবেদনখনৰ নিষ্পত্তিত উচ্চ ন্যায়ালয়ে ২৪.৩.২০০৬ তাৰিখৰ এক আদেশৰ দ্বাৰা নিৰ্দেশ দিয়ে যে উত্তৰদাতাসকলে জামিন মঞ্জুৰৰ বাবে এখন আবেদন দাখিল কৰিলে আইন অনুসৰি তাৰ নিষ্পত্তি কৰা হ'ব। সাত দিনৰ বাবে সুৰক্ষা প্ৰদান কৰা হয় যাতে তেওঁলোকে সংশ্লিষ্ট আদালতত হাজিৰ হ'ব পাৰে।

নির্বিবাদে তেওঁলোকে নির্ধাৰিত সময়ৰ ভিতৰত হাজিৰ নহ'ল আৰু উচ্চ ন্যায়ালয়ৰ ওচৰত সময়সীমা বৃদ্ধিৰ বাবে আবেদন কৰিলে। উচ্চ ন্যায়ালয়ে ১৮.৪.২০০৬ তাৰিখলৈকে সময় দিলে আৰু উত্তৰদাতাসকলক বিদ্বান মহকুমা ন্যায়িক দণ্ডাধীশৰ বিচাৰপীঠত হাজিৰ হ'বলৈ নির্দেশ দিলে। ১৭.৪.২০০৬ তাৰিখে বিদ্বান মহকুমা ন্যায়িক দণ্ডাধীশ ছুটীত আছিল আৰু সেইবাবে বিচাৰ্য বিষয়টো বিদ্বান মুখ্য ন্যায়িক দণ্ডাধীশৰ বিচাৰপীঠত উত্থাপন কৰা হ'ল যিয়ে বিচাৰ্য বিষয়টো ১৮.৪.২০০৬ তাৰিখে মহকুমা ন্যায়িক দণ্ডাধীশৰ বিচাৰপীঠত উত্থাপন কৰিবলৈ নির্দেশ দিলে। উত্তৰদাতাসকলে ১৮.৪.২০০৬ তাৰিখে সঁচাকৈয়ে হাজিৰ হৈছিল নে নাই সেই বিষয়ে কিছু সন্দেহ আছে। যিয়েই নহওঁক, ফৌজদাৰী প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ (চমুকৈ 'সংহিতা')-ৰ ধাৰা ৪৮২-ৰ অধীনত এখন আবেদন দাখিল কৰা হ'ল। উচ্চ ন্যায়ালয়ে বিতৰ্কিত আদেশটো প্ৰদান কৰে য'ত বিদ্বান মহকুমা ন্যায়িক দণ্ডাধীশৰ কিছুমান কাৰ্যৰ প্ৰতি আপত্তি দৰ্শোৱাৰ পাছত নির্দেশাৱলী প্ৰদান কৰা হ'ল।

৪) আবেদনকাৰীৰ বিজ্ঞ অধিবক্তাই যুক্তি দৰ্শায় যে উচ্চ ন্যায়ালয়ে এই তথ্য সম্পূৰ্ণৰূপে উপেক্ষা কৰা যেন পৰিলক্ষিত হৈছে যে কেইবাটাও আদেশৰ দ্বাৰা বিচাৰ আদালতে উত্তৰদাতাসকলক পলাতক আচামী হিচাপে উল্লেখ কৰিছে। সেয়েহে, উচ্চ ন্যায়ালয়ে বিদ্বান মহকুমা ন্যায়িক দণ্ডাধীশৰ বিচাৰপীঠত স্বইচ্ছাই হাজিৰ হোৱা গোচৰৰ যুক্তিযুক্ততা বিবেচনা নকৰাকৈ উত্তৰদাতাসকলক জামিনত মুক্তি দিয়াৰ নির্দেশ দিয়াটো উচিত নাছিল।

৫) আনহাতে, উত্তৰদাতাৰ বিজ্ঞ অধিবক্তাই যুক্তি দৰ্শায় যে বিদ্বান মহকুমা ন্যায়িক দণ্ডাধীশৰ আদেশ একাশৰীয়াকৈ পঢ়িলে বিদ্বান ন্যায়াধীশগৰাকী অশুদ্ধ যেন প্ৰতীয়মান হ'ব পাৰে, কিন্তু যেতিয়া সমস্ত বিষয়বস্তু নথিভুক্ত কৰি বিচাৰপীঠত উপস্থাপন কৰা

হ'ল, তেতিয়া উচ্চ ন্যায়ালয়ৰ নিৰ্দেশাৱলী নিয়মবিৰুদ্ধ বুলি উপস্থাপন কৰিব নোৱাৰি। এয়া দাখিল কৰা হৈছে যে উচ্চ ন্যায়ালয়ৰ আদেশ অনুযায়ী আচামীয়ে বিদ্বান মুখ্য ন্যায়িক দণ্ডাধীশৰ বিচাৰপীঠত আত্মসমৰ্পণ কৰিলে আৰু উচ্চ ন্যায়ালয়ৰ আদেশৰ চৰ্তানুসৰি তেওঁলোকক জামিন প্ৰদান কৰা হ'ল।

৬) বিতৰ্কিত আদেশটোত থকা বিতৰ্কিত নিৰ্দেশাৱলী তলত উল্লেখ কৰা হ'ল:

> "সেয়েহে বিচাৰ্য বিষয়বস্তু সামগ্ৰিকভাৱে বিবেচনা কৰি আৰু আইনৰ স্বাৰ্থত ইয়াৰ দ্বাৰা জি.আৰ. গোচৰ সংখ্যা ৪৪৪/৯৯ বিদ্বান মুখ্য ন্যায়িক দণ্ডাধীশ, দৰঙৰ বিচাৰপীঠলৈ স্থানান্তৰ কৰা হ'ল। ইয়াৰ দ্বাৰা আচামী-আবেদনকাৰীসকলক ২৩.৮.২০০৬ তাৰিখে বা তাৰ আগতে বিদ্বান মুখ্য ন্যায়িক দণ্ডাধীশ, দৰং, মঙ্গলদৈ আদালতত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হ'ল, আৰু তেওঁলোকে বিদ্বান নিম্ন আদালতত হাজিৰ হ'লে যদি আবেদনকাৰীসকলে জামিনৰ বাবে আবেদন কৰে, তেন্তে তেওঁলোকক বিদ্বান নিম্ন আদালতৰ সন্তুষ্টি সাপেক্ষে প্ৰত্যেককে ১০,০০০/- টকাৰ জামিনত সমান ৰাশিৰ দুটা স্থানীয় জমানতসহ মুক্তি দিয়া হ'ব। ইয়াৰ উপৰিও জামিনৰ এই আদেশ এই চৰ্তসাপেক্ষে প্ৰযোজ্য যে আবেদনকাৰীসকলে নিম্ন আদালতে ইয়াৰ পাছত নিৰ্দেশ দিয়া অনুসৰি আদালতত হাজিৰ হৈ থাকিব।"

৭) এয়া স্পষ্ট যে উচ্চ ন্যায়ালয়ে গোচৰটোৰ যুক্তিযুক্ততা বিবেচনা কৰা নাই। ন্যায়ালয়ে এই তথ্য সম্পূৰ্ণৰূপে উপেক্ষা কৰিছে যে উত্তৰদাতা নং ১-ৰ পৰা ৯-এ সংহিতাৰ ধাৰা ৪৮২-ৰ অধীনত এখন আবেদন দাখিল কৰিছে। উচ্চ ন্যায়ালয়ে উল্লেখ কৰা অনুযায়ী উচ্চ ন্যায়ালয়ে বিদ্বান মহকুমা ন্যায়িক দণ্ডাধীশৰ ফালৰ পৰা বিচাৰ্য বিষয়টোৰ নিষ্পত্তিত কিছু ক্ৰুটি বিচাৰি পালেও, সেয়া উত্তৰদাতাসকলক সংহিতাৰ ধাৰা ৪৮২-ৰ অধীনৰ আবেদনত জামিনত মুক্তি দিয়াৰ ভিত্তি হ'ব নোৱাৰে। এয়া ধাৰা ৪৩৮-ৰ অধীনৰ গোচৰো নাছিল। যদি হ'লোহেঁতেন, তথাপিও উত্তৰদাতা নং ১-ৰ পৰা ৯-ক মুক্তিৰ বাবে বিতৰ্কিত নিৰ্দেশাৱলী যিধৰণে দিয়া হৈছে, তেনেধৰণে দিব পৰা নগ'লহেঁতেন। জামিন মঞ্জুৰৰ বাবে প্ৰদান কৰা ধৰণে সংহিতাৰ ধাৰা ৪৮২-ৰ অধীনত ক্ষেত্ৰাধিকাৰ সম্প্ৰসাৰিত কৰিব নোৱাৰি। গোচৰটোৰ

যুক্তিযুক্ততা বিবেচনাও কৰা হোৱা নাছিল। উচ্চ ন্যায়ালয়ে এই ৰায় প্ৰদান কৰাটো স্পষ্টভাৱে ত্ৰুটিপূৰ্ণ যে উত্তৰদাতা নং ১-৯ পলাতক আচামী হিচাপে প্ৰদৰ্শন কৰাৰ কোনো তথ্য নাছিল। এনেদৰে মতামত প্ৰদান কৰি উচ্চ ন্যায়ালয়ে এই তথ্য সম্পূৰ্ণৰূপে উপেক্ষা কৰিছিল যে দাখিল কৰা চাৰ্জশ্বীটত উত্তৰদাতা নং ১-ৰ পৰা ৯-ক পলাতক আচামী হিচাপে প্ৰদৰ্শন কৰা হৈছিল। একেদৰে ১.৬.২০০৪ আৰু ৪.৬.২০০৪ তাৰিখৰ আদেশত বিদ্বান মুখ্য ন্যায়িক দণ্ডাধীশ আৰু বিদ্বান মহকুমা ন্যায়িক দণ্ডাধীশে স্পষ্টভাৱে উল্লেখ কৰিছিল যে ১১ গৰাকী আচামী ব্যক্তি পলাতক আছিল। এয়া নিশ্চিতভাৱে দাখিল কৰা চাৰ্জশ্বীটৰ প্ৰসংগতেই আছিল।

৮) আচামী উত্তৰদাতা নং ১-ৰ পৰা ৯-ৰ বিজ্ঞ অধিবক্তাই যুক্তি দৰ্শাইছিল যে বিচাৰ চলি আছে আৰু স্বাধীনতাৰ কোনো অপব্যৱহাৰৰ অভিযোগ উত্থাপন কৰা হোৱা নাই। সেই প্ৰশ্নটো বৰ্তমানৰ বিচাৰত বিবেচনা কৰা উচিত নহয়, কিয়নো উচ্চ ন্যায়ালয়ৰ বিতৰ্কিত নিৰ্দেশাৱলী বাহালযোগ্য নহয়। সেয়েহে আমি উত্তৰদাতা নং ১-ৰ পৰা ৯-ক জামিনত মুক্তি দিয়া আদেশৰ সেই অংশ খাৰিজ কৰিছোঁ। উচ্চ ন্যায়ালয়ে জামিনৰ আবেদনৰ বিবেচনা সম্পূৰ্ণৰূপে বন্ধ কৰিছিল। লগতে উচ্চ ন্যায়ালয়ে উত্তৰদাতা নং ১-ৰ পৰা ৯-ৰ জামিনত মুক্তি লাভ কৰাৰ যোগ্যতাৰ প্ৰশ্নটোও চালি-জাৰি চোৱা নাছিল। বিদ্বান মহকুমা ন্যায়িক দণ্ডাধীশে উচ্চ ন্যায়ালয়ৰ মত অনুসৰি কেৱল সঠিক দৃষ্টভংগীৰে নিৰ্দেশাৱলী পালন নকৰাটোৱেই উত্তৰদাতা নং ১-ৰ পৰা ৯-ক জামিনত মুক্তি দিয়াৰ ভিত্তি হ'ব নোৱাৰে। সেয়েহে আমি উত্তৰদাতা নং ১-ৰ পৰা ৯-ৰ জামিন মঞ্জুৰ সম্পৰ্কে বিতৰ্কিত আদেশটোত থকা নিৰ্দেশাৱলী খাৰিজ কৰিলো। বিচাৰ চলি থকা ঠাইত উত্তৰদাতাসকল হাজিৰ হওঁক। যদি জামিনৰ বাবে কোনো আবেদন দাখিল কৰা হৈছে, তেন্তে তাক সংশ্লিষ্ট আদালতে সঠিক দৃষ্টিভংগীৰে

বিবেচনা কৰিব। আমি গোচৰটোৰ যুক্তিযুক্ততা সম্পৰ্কে কোনো মতামত প্ৰকাশ নকৰো।

৯) আবেদন মঞ্জুৰ কৰা হ'ল।

...................... ন্যায়াধীশ (ড° অৰিজিৎ পাছায়াং)

.................................. ন্যায়াধীশ (পি. সথশিৱম)

নতুন দিল্লী,

৯ জুলাই, ২০০৮

* * * * * * * *

*অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়*

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)